অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
কৰ্ম মোৰ সংস্কৃতি
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
☎: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :

*Ref:* AJB/DC/78/19 *Date* :19-10-2019

## All Assam Inter Jatiya Bidyalay Debate Competition, 2019 in Assam Jatiya Bidyalay

**Guwahati, 19 October, 2019 :** All Assam Inter Jatiya Bidyalay Debate Competition was held on 19 October, 2019 at Assam Jatiya Bidyalay, Noonmati, Guwahati. Total of 43 debaters of 22 different Jatiya Bidyalays across the state participated in the competition. The programme was started with the introductory speech delivered by Pranita Devi, teacher of Assam Jatiya Bidyalay. Narendra Mohan Goswami, Academic Officer of the school lighted the ceremonial lamp at the beginning of the programme. It was followed by the welcome speech delivered by Ghanashyam Medhi, Principal of Assam Jatiya Bidyalay. All the debaters along with the speaker were seated on the stage after this. Senior teacher Mrs. Aparna Devi had explained the rules of this competition before it started. Ranu Borgohain, retired teacher of T.C. Govt. Girls' H.S & M.P. School graced the occasion as the speaker of the competition. The adjudicators of the competition were Priyanku Hazarika, Research Scholar of Tezpur University, Rajib Bhagawati, Research Scholar of Gauhati University and Khagen Kalita, Executive Editor, Protidin Time. Drishtima Gogoi, Bidyabhawan Jatiya Bidyalay, Dimual, Sivasagar was adjudged the best debater in this competition. Anindita Gogoi, Assam Jatiya Bidyalay, Noonmati and Chinmoy Jyoti Kashyap, Sankadev Jatiya Bidylay, Gaurisagar were the second and the third runner up respectively. Jinti Nath and Kabyanjali Oleman of Sipajhar Jatiya Bidyalay bagged the best team award in this competition.The topic of this debate was-In the opinion of the house, 'Today's marks-oriented education system has reduced student's creativity'. Mrs. Chandana Medhi Choudhury was the convenor of the whole programme.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
কৰ্ম মোৰ সংস্কৃতি
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/তৰ্ক/৭৮/১৯
*Ref :*

তাৰিখ : ১৯-১০-২০১৯
*Date :*

## আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ সফল সামৰণি

**নুনমাটি, গুৱাহাটী, ১৯ অক্টʼবৰ, ২০১৯ :** অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ উদ্যোগত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি ১৯ অক্টʼবৰ, শনিবাৰে নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। পুৱা ৯.৩০ বজাত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান মুকলি কৰে অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণি ভাষণত পাঠ্যক্ৰম কেন্দ্ৰিক শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উত্তৰণৰ বাবে তৰ্ক, কুইজ আদি প্ৰতিযোগিতাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক শুভেচ্ছা প্ৰদান কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে প্ৰতিযোগিতাৰ নিয়মাৱলী ঘোষণা কৰাৰ পিছতে প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে আৰম্ভ হয়। প্ৰতিযোগিতাখনিত অসমৰ সৰ্বমুঠ ২২খন জাতীয় বিদ্যালয়ৰ ৪৩ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে, ‘বৰ্তমানৰ নম্বৰকেন্দ্ৰিক শিক্ষা-ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা হ্ৰাস কৰিছে।’ (In the opinion of the house, ‘Today’s marks-oriented education system has reduced student’s creativity’.)।প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে বিদ্যাভৱন, ডিমুৱাল, শিৱসাগৰৰ দৃষ্টিমা গগৈয়ে। দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অনিন্দিতা গগৈয়ে। শংকৰদেৱ বিদ্যা মন্দিৰ, শিৱসাগৰৰ চিন্ময় জ্যোতি কাশ্যপে তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে ছিপাঝাৰ জাতীয় বিদ্যালয়ৰ জিণ্টি নাথ আৰু কাব্যাঞ্জলী অল্যমানৰ দলে। প্ৰতিযোগিতাত সদনৰ অধ্যক্ষৰ আসন শুৱনি কৰে তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী ৰাণু বৰগোহাঁইয়ে। বিচাৰকৰ আসনত থাকে প্ৰতিদিন টাইমৰ কাৰ্যবাহী সম্পাদক খগেন কলিতা, তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ, তাৰ্কিক প্ৰিয়াংকু হাজৰিকা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ, তাৰ্কিক ৰাজীৱ ভাগৱতী। বিচাৰকৰ আসনৰ পৰা খগেন কলিতা আৰু প্ৰিয়াংকু হাজৰিকাই প্ৰতিগৰাকী প্ৰতিযোগীকে অভিনন্দন জ্ঞাপন কৰি এগৰাকী ভাল তাৰ্কিক হোৱাৰ প্ৰয়োজনীয় বৈশিষ্ট্যসমূহৰ বিষয়ে উল্লেখ কৰে। উল্লেখ্য যে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী, কৰ্মচাৰী উপস্থিত থাকি প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰাত সহায় কৰে। সভাত উপস্থিত থকা সকলোকে তৰ্ক প্ৰতিযোগিতাৰ আহ্বায়িকা অসম জাতীয় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী চন্দনা মেধি চৌধুৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। এই সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী প্ৰণীতা দেৱীয়ে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০